স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-14 □ NO-305 □ FRIDAY 10 JANUARY 2025 (ডিব্ৰুগড় সংস্কৰণ/DIB

...নীয় অতিথি হিচাপে ...ৰ প্ৰবন্ধক ভাস্কৰ ...জিলা আয়ুক্ত আয়ুস ...আৰক্ষী অধীক্ষক ...আমন্ত্ৰিত অতিথি ...ৰিষদৰ সদস্য সচিব ...জলা বিদ্যালয়সমূহৰ ... উপস্থিত থাকিব। ...ী, ৰাইজক যোগদান ...াঞ্চলিক কাৰ্যালয়ৰ ...ৰু শিৱসাগৰ কমাৰ্চ ...সমন্বয়ক কৌৰাংগ ...নাই ছে। সবিশেষ ...০৩৮ নৰেন্দ্ৰৰত

## কানৈত প্ৰাক্ মাঘ বিহুৰ প্ৰস্তুতি

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৯ জানুৱাৰী ঃ** মাঘ বিহুৰ পৰা পৰম্পৰা নতুন প্ৰজন্মৰ মাজত চিনাকি কৰি দিয়া, নতুন প্ৰজন্মক উৎসাহিত কৰা, অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ উদ্যোগত আৰু কানৈ মহবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহযোগত কানৈ মহাবিদ্যালয়ৰ সেউজীয়া বাকৰিত প্ৰাক্ মাঘ বিহু উদযাপন কৰা হ'ব। ১২ জানুৱাৰীৰ সন্ধ্যা কানৈ মহাবিদ্যালয়ৰ সেউজীয়া বাকৰিত নিয়ন লাইটৰ পোহৰত মাঘ বিহু উপলক্ষে গীত-মাত-নৃত্য আদি পৰিৱেশন কৰা হ'ব। কণ কণ মইনা, কিশোৰৰ পৰা জ্যেষ্ঠজনলৈকে সকলোৱে অংশগ্ৰহণ কৰিবলগীয়া এই কাৰ্যসূচী উদ্বোধন কৰিব কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্দেশ্য ব্যাখ্যা কৰিব ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সাংস্কৃতিক সম্পাদক ৰাজীৱ ফুকনে। ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সভাপতি পবিত্ৰ চুতীয়া, ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সম্পাদক মামণি শৰ্মাকে ধৰি জিলাখনৰ মইনা পাৰিজাতৰ বিষয়ববীয়াসকল, কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকল আৰু কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল উপস্থিত থাকিব।

...অসমীয়া জা... গামোচা মেলাৰ... দ্বাৰা) আয়োজন... সময়ত দুখীয়া... ৰাজহুৱা স্থান প... কাৰ্যসূচী ৰূপায়... এইবাৰো এই... আৰু ২৫ জানুৱ... এক কাৰ্যসূচী হা... ডুমডুমা অ... অব্যৱহৃত ভা... ব্যৱহাৰযোগ্য... ছুৰেটাৰ, জেকে... কাপোৰ, মহিল... শ্বল আদি সং...